# বাৰ্ষিক পত্ৰিকা


অসমীয়া বিভাগ ।। তেজপুৰ বিশ্ববিদ্যালয়
দ্বিতীয় সংখ্যা ।। জানুৱাৰী, ২০২২

Department of Assamese
Tezpur University
Annual Departmental Brochure
Vol-II, January, 2022


সম্পাদক ঃ জ্যোতিষ্মান দাস
Editor : Jyotishman Das







# আলোচনা-সত্ৰ আৰু কৰ্মশালা

## সাহিত্য অকাডেমি আৰু অসমীয়া বিভাগৰ উদ্যোগত **‘অসমীয়া সাহিত্যত সাম্প্ৰতিক সাহিত্য-ধাৰা আৰু চৰ্চা’** বিষয়ক ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ




সাহিত্য অকাডেমিৰ উদ্যোগত আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত তেজপুৰ বিশ্ববিদ্যালয়ত যোৱা ২২ আৰু ২৩ মাৰ্চ তাৰিখে দুদিনীয়াকৈ এখনি ৰাষ্ট্ৰীয় আলোচনা-সত্ৰ সম্পন্ন হয়। আলোচনা-সত্ৰখনিৰ মূল বিষয় আছিল ‘অসমীয়া সাহিত্যত সাম্প্ৰতিক সাহিত্য-ধাৰা আৰু চৰ্চা।’ সাম্প্ৰতিক বিশ্ব সাহিত্যত প্ৰচলিত বিভিন্ন ধাৰাসমূহ অসমীয়া সাহিত্যত কেনেকৈ পৰিলক্ষিত হৈছে আৰু বিভিন্ন মতবাদৰ আধাৰত অসমীয়া সাহিত্যক কেনেকৈ বিচাৰ-বিশ্লেষণ কৰিব পৰা যায় আদি বিষয়ৰ গৱেষণামূলক আলোচনাৰে সম্পন্ন হোৱা এই আলোচনা-সত্ৰৰ জৰিয়তে বিশ্বৰ প্ৰেক্ষাপটত অসমীয়া সাহিত্যৰ ভালেকিছু নতুন দিশ উন্মোচিত হয়। অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড° সুব্ৰতজ্যোতি নেওগে আঁত ধৰা উদ্বোধনী সভাত অসমীয়া বিভাগৰ অধ্যাপক ড° সঞ্জীৱ ডেকাই উদ্বোধনী অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি আলোচনা-সত্ৰখনিৰ বিষয়ে চমুকৈ কয়। অসমৰ কেইবাজনো বিশিষ্ট সমালোচক-সাহিত্যিকৰ উপস্থিতিত আৰম্ভ উদ্বোধনী সভাত সভাপতিত্ব কৰে বিশিষ্ট কথাশিল্পী ডাঃ ধ্ৰুৱজ্যোতি বৰাই। লগতে এটি সাৰগৰ্ভ বক্তৃতাৰে মূল ভাষণ ভাষণ প্ৰদান কৰে বিশিষ্ট সমালোচক প্ৰদীপ আচাৰ্যই। সাহিত্য অকাডেমিৰ সম্পাদক কে. শ্ৰীনিবাসন ৰাওৱে সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ধাৰা আৰু চৰ্চা প্ৰসংগত এটি মননশীল আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা নগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য বলিন কোঁৱৰে উদ্বোধনী ভাষণ প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানৰ শেষত সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই অসমীয়া বিভাগৰ পুথিভঁৰাললৈ এটি মূল্যৱান গ্ৰন্থৰ টোপোলা বিভাগীয় মুৰব্বী ড° সুব্ৰতজ্যোতি নেওগৰ হাতত প্ৰদান কৰে। মুঠ ছটা পৰ্যায়ত ভিন ভিন বিষয়ত অনুষ্ঠিত হোৱা আলোচনা-সত্ৰখনিত অসমৰ বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা গৱেষক-গৱেষিকাই তেওঁলোকৰ গৱেষণা-পত্ৰ পাঠ কৰাৰ লগতে অসমীয়া সাহিত্যৰ বিভিন্ন বিষয়ৰ সাৰগৰ্ভ আলোচনা কৰে। সমালোচক প্ৰদীপ আচাৰ্যই সঞ্চালনা কৰা প্ৰথমখন সত্ৰত ‘বিশ্বৰ প্ৰেক্ষাপটত সাম্প্ৰতিক সাহিত্য-ধাৰা আৰু অসমীয়া সাহিত্য’ বিষয়ত প্ৰভাত বৰা, বিভাস চৌধুৰী আৰু এম. কামালুদ্দিন আহমেদ তেওঁলোকৰ গৱেষণা-পত্ৰ পাঠৰ লগতে সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। দ্বিতীয়খন সত্ৰ সঞ্চালনা কৰে সমালোচক তথা অধ্যাপক বিভাস চৌধুৰীয়ে। ‘সাম্প্ৰতিক অসমীয়া সাহিত্যত নিম্নবৰ্গৰ সমাজ-চেতনা আৰু অন্যান্য প্ৰসংগ’ বিষয়ত অনুষ্ঠিত সত্ৰখনিত গৱেষণা- পত্ৰ পাঠ আৰু বক্তৃতা আগবঢ়াই ক্ৰমে দিলীপ ফুকন, গীতালি শইকীয়া, দেৱভূষণ বৰা আৰু ডালিম দাসে। বিশিষ্ট সমালোচক প্ৰভাত বৰাই সঞ্চালনা কৰা তৃতীয়খন সত্ৰত ‘অসমীয়া সাহিত্যত ইতিহাসৰ প্ৰতিনিধিত্ব আৰু পুনৰ নিৰ্মাণ’ বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰে ক্ৰমে চন্দন কুমাৰ শৰ্মা, অৰিন্দম বৰকটকী, মৌচুমী কন্দলী আৰু জুৰি দত্তই। দিনৰ ৯.১৫ বজাৰ পৰা আৰম্ভ হোৱা দ্বিতীয় দিনাৰ কাৰ্যসূচীত ৰবীন ডেকাৰ সঞ্চালনাৰে অনুষ্ঠিত হোৱা চতুৰ্থখনি সত্ৰত ‘পৰিপাৰ্শ্ব সমালোচনা

আৰু অসমীয়া সাহিত্য’ বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰে মানবেন্দ্ৰ শৰ্মা, দিব্যজ্যোতি বৰা আৰু জ্যোতিষ্মান দাসে। পঞ্চমখনি সত্ৰ সঞ্চালনা কৰে অধ্যাপক চন্দন কুমাৰ শৰ্মাই। ‘অসমীয়া সাহিত্যত লিংগভিত্তিক অধ্যয়ন’ শীৰ্ষক বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰে অৰূপা পটংগীয়া কলিতা, গৰিমা কলিতা, পৰী হিলৈদাৰী আৰু লক্ষীপ্ৰিয়া গগৈয়ে। লগতে অসমীয়া গল্প আৰু ৰাজনৈতিক ক্ষেত্ৰৰ তুলনা কৰি অধ্যাপক ৰাজেন কলিতাই গৱেষণা-পত্ৰ পাঠ কৰে। কাৰ্যসূচীৰ অন্তিমখনি সত্ৰ সঞ্চালনা কৰে অধ্যাপক চন্দন কুমাৰ শৰ্মাই। ‘অনুবাদ অধ্যয়ন আৰু অসমীয়া সাহিত্য’ বিষয়ত অনুষ্ঠিত আলোচনা-সত্ৰত গৱেষণা পত্ৰ পাঠ আৰু বক্তব্য প্ৰদান কৰে সঞ্জীৱ চাহু আৰু স্তুতি গোস্বামীয়ে।

ছয়খন আলোচনা-সত্ৰৰ সমাপ্তিৰ শেষত সামৰণী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য দিলীপ কুমাৰ শইকীয়া। সাম্প্ৰতিক সাহিত্যৰ প্ৰেক্ষাপটক কেন্দ্ৰ কৰি অনুষ্ঠিত হোৱা আলোচনা-সত্ৰখনিৰ লাভালাভ তথা গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ লগতে এনে উদ্যোগ লোৱাৰ বাবে সাহিত্য অকাডেমিৰ লগতে অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তা আৰু উপস্থিত গৱেষক-গৱেষিকা আৰু ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসৰ শলাগৰ শৰাইৰে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় আলোচনা-সত্ৰৰ সামৰণি ঘটে।

# Seminar/ Workshop

## National Seminar on "Current Literary Trends, Practices and Status of Assamese Literature"

A two day National Seminar on “Current literary trends, practices, and status of Assamese literature” was organized by Sahitya Akademi in collaboration with Department of Assamese, Tezpur University during 22-23 March 2021. It brought together scholars from various backgrounds. The scholars presented their research works highlighting the various concerns related to contemporary Assamese literature. The inaugural session began at 9.30 AM on 23rd March with a brief introduction and felicitation of guests by Dr Subrat Jyoti Neog, HoD, Department of Assamese, Tezpur University introduced and felicitated the guests. The inaugural session was chaired by Dhrubajyoti Borah, Convener, Assamese Advisory Board, Sahitya Akademi. K. Sreenivasanrao, Secretary, Sahitya Akademi and Professor Bolin Konwar, Dept. of MBBT delivered their views on the topic. Eminent critic Pradip Acharya delivered the keynote address. The first session of the seminar was on “Contemporary Literary Trends in World and Status of Assamese Literature”. The session was chaired by Pradip Acharya and Professor M. Kamaluddin Ahmed, Prof Bibhash Chaudhury, and Professor Prabhat Bora presented




their paper in this session. The second session was on “Subaltern and other Issues in Contemporary Assamese Literature”. This session was chaired by Prof Bibhash Chaudhury and paper presenters were Dilip Phukan, Gitali Saikia, Debobhusan Bora and Dalim Das. The third session was on “Reconstruction and Representation of History in Assamese Literature”. This session was chaired



by Prof Prabhat Bora and paper presenters were Chandan Kumar Sarma, Areendom Borkakati, Moushumi Kandali and Juri Dutta. The second day of the seminar began with the fourth session on "Ecocriticism and Assamese Literature", which was chaired by Prof Rabin Deka. Paper presenters of the session were Jyotishman Das, Dibyajyoti Bora and Manabendra Sharma. The Session-IV was on "Gender and Assamese Literature", which was chaired by Chandan Kumar Sarma. Paper presenters of this session were Arupa Patangia Kalita, Garima Kalita, Pori Hilodari and Lakhipriya Gogoi. The fifth session was on "Translation Studies and Assamese Literature". This session was chaired by Chandan Kumar Sarma. Sanjib Sahoo and Stuti Goswami presented their paper in this session. The valedictory session was chaired by Dr Subrat Jyoti Neog, HoD, dept. of Assamese,Tezpur University. The Guest of Honour Prof Dilip Kr. Saikia, Pro Vice-Chancellor, Tezpur University was happy to be a part of the event and appreciated the efforts of the Department of Assamese in organizing such events. The vote of thanks was delivered by Jyotishman Das, Assistant Professor, Dept. of Assamese, Tezpur University, on behalf of the organizing committee.

## বৰেণ্য সাহিত্যিক হোমেন বৰগোহাঞি (৭ ডিচেম্বৰ, ১৯৩২-১২ মে', ২০২১) লৈ শ্ৰদ্ধাৰ্ঘ্য

# 'হোমেন বৰগোহাঞিৰ সাহিত্য' বিষয়ক অনলাইন আলোচনা-সত্ৰ



চলিত বৰ্ষতে মৃত্যুবৰণ কৰা বৰেণ্য অসমীয়া সাহিত্যিক 'হোমেন বৰগোহাঞি'ৰ সাহিত্য সম্পৰ্কত এখন অনলাইন আলোচনা-সত্ৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ২৫ মে', ২০২১ তাৰিখে অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগে আঁত ধৰা অনুষ্ঠানটো, তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যই উদ্বোধন কৰে। এই আলোচনা-সত্ৰৰ আমন্ত্ৰিত বক্তা, প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ বক্তৃতাৰ বিষয় আছিল-- 'হোমেন বৰগোহাঞিৰ উপন্যাসৰ চলচ্চিত্ৰায়ন'। 'হালধীয়া চৰায়ে বাওধান খায়'ৰ দৰে বৰগোহাঞিৰ উপন্যাসত চলচ্চিত্ৰৰ ৰূপ দিয়া বৰুৱাই উপন্যাস এখন চলচ্চিত্ৰকৰণ কৰিবলৈ যাওঁতে মুখামুখি হোৱা সমস্যাসমূহৰ কথা উল্লেখ কৰে। বিশেষকৈ 'হালধীয়া চৰায়ে বাওধান খায়' পৰিচালনাৰ প্ৰত্যাহ্বানসমূহ তেওঁ উল্লেখ কৰে। আলোচনা-সত্ৰৰ দ্বিতীয়গৰাকী আমন্ত্ৰিত বক্তা আছিল, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী

বিভাগৰ অধ্যাপক নিগমানন্দ দাস। তেওঁৰ বক্তৃতাৰ বিষয় আছিল-- 'হোমেন বৰগোহাঞি আৰু মানৱতাবাদ'। দুয়োগৰাকী বক্তাৰে সৈতে হোৱা মত-বিনিময় অনুষ্ঠানত অগ্নিধ বৰুৱা, ভাস্কৰজ্যোতি বৰা, প্ৰাঞ্জল দাস আদিয়ে অংশগ্ৰহণ কৰে। বিভাগীয় মুৰব্বী ড° সুব্ৰত জ্যোতি নেওগে শলাগৰ শৰাই জ্ঞাপন কৰি সামৰণি পেলোৱা এই আলোচনা-সত্ৰখনত অৰ্ধ-শতাধিক অংশগ্ৰহণকাৰী উপস্থিত থাকে।

## Webinar on "Homen Borgohain's Literature"

With a tribute to the eminent Assamese writer late Homen Borgohain, a webinar on "Homen Borgohain's Literature" was organized by Department of Assamese, Tezpur University on 25 May, 2021. The webinar began with a welcome address by Dr Subrat Jyoti Neog, Head, Department of Assamese and it was inaugurated by the Pro Vice-Chancellor, Prof Dhruba Kumar Bhattacharrya. In his inaugural address, Prof Bhattacharrya threw light on the literary works of Homen Borgohain and on his life as a journalist.While talking about the advantages of online modes of learning, he talked about the possibilities of digitization of Late Borgohain's works and the works on and about him. Eminent film director, Padma Bhushan awardee Mr Jahnu Baruah, one of the invited speakers of the seminar talked on the topic 'The Cinematization of Homen Borgohain's Novels'. In his lecture he discussed the issues and problems and challenges related to cinematization of the novel by Homen Borgohain's Haladhiya Saraiye Bau dhan Khai. Prof Nigamananda Das, Department of English, Nagaland University was another invited speaker of the webinar who talked on the topic 'Homen Borgohain and Humanism'. In his lecture Prof Das discussed the issues of humanism in Homen Borgohain's novel Pita-Putra and in his discussion he referred to Aravinda Adiga's The White Tiger.. In the interactive sessions, Agniv Baruah, Pranjal Das, Bhaskarjyoti Bora and many more took part discussing various issues with both the esteemed speakers.

## FDP ঃ অসমীয়া সাহিত্যৰ উপেক্ষিত প্ৰসংগসমূহৰ আলোচনা

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে তেজপুৰ বিশ্ববিদ্যালয়ৰ 'শিক্ষণ প্ৰশিক্ষণ কেন্দ্ৰ'ৰ সৈতে যৌথভাৱে ১২-১৬ জুলাই, ২০২১ চনৰ সময়ছোৱাত সপ্তাহজোৰা এটা শিক্ষকৰ দক্ষতা বিকাশ অনুষ্ঠান (FDP) 'অসমীয়া সাহিত্যৰ উপেক্ষিত প্ৰসংগসমূহৰ আলোচনা'ক কেন্দ্ৰীয় বিষয় হিচাপে লৈ অনুষ্ঠিত কৰে। বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ অৰ্ধ শতাধিক শিক্ষকে এই অনুষ্ঠানত অংশ লয়। এই অনুষ্ঠানত অসমীয়া সাহিত্যত আলোচনাৰ বাহিৰত সততে ৰৈ যোৱা বিবিধ বিধা আৰু শৈলীৰ সাহিত্য-পাঠ আৰু লেখকসকলক গুৰুত্ব প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। উদ্বোধনী অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক নন্দনা দত্তই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানত মুঠ এঘাৰটা বক্তৃতা অনুষ্ঠিত হয়। বক্তৃতাসমমূহ প্ৰদান কৰে--- পৰী হিলৈদাৰী (সহযোগী অধ্যাপক, ইংৰাজী বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়), অধ্যাপক বিভাস চৌধুৰী (ইংৰাজী বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়), অধ্যাপক আনন্দ বৰমুদৈ (ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, ডিব্ৰুগড় বিশ্ববিদ্যালয়), ড° চন্দন কুমাৰ শৰ্মা (সহযোগী অধ্যাপক, ইতিহাস বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়), হেমজ্যোতি মেধি (সহযোগী অধ্যাপক, ইংৰাজী বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়), ড° লক্ষীপ্ৰিয়া গগৈ (সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়), ড° সঞ্জীৱ পল ডেকা (সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়), ড° মৌচুমী কন্দলী (সহকাৰী অধ্যাপক, সাংস্কৃতিক অধ্যয়ন বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়), ড° মৃদুল বৰদলৈ (সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়) আৰু ড° স্বপ্না বৰায়ে (সহকাৰী অধ্যাপক, শিক্ষণ প্ৰশিক্ষণ কেন্দ্ৰ, তেজপুৰ বিশ্ববিদ্যালয়)।

## Online Faculty Development Programme (FDP) on
# "Issues of Exclusion in Assamese Literature"

Department of Assamese, Tezpur University in collaboration with Teaching Learning Centre (TLC), Tezpur University organized a weeklong online Faculty Development Programme on "Issues of Exclusion in Assamese Literature" during 12th July 2021 and 16th July, 2021. More than fifty teachers from various institutions took part in the FDP. The FDP is proposed with the objective to focus on the texts and writers usually excluded in Assamese literature across various genres and styles. The FDP brought together academicians and experts representing various research fields: philosophy, history, cultural studies and gender studies and served as a platform for sharing their knowledge, experiences and research findings to inform and renew the participants' knowledge. Professor Nandana Dutta, Department of English, Gauhati University was the Chief Guest of the inaugural ceremony. The FDP consisted of 11 lectures and three activity sessions. The speakers of the FDP were Pori Hiloidari (Associate Professor, Dept. of English, Handique Girls College), Prof Bibhash Chaudhury (Dept. of English, Gauhati University), Prof Ananda Bormudoi (Former Professor of English, Dibrugarh University), Dr Chandan Kumar Sarma (Associate Professor, Dept. of History, Dibrugarh University), Hemjyoti Medhi (Associate Professor, Department of English, Tezpur University), Dr Lakhipriya Gogoi (Asst. Professor, Department of English, Dibrugarh University), Dr Sanjib Pol Deka (Asst. Professor, Dept. of Assamese, Tezpur University), Dr Moushumi Kandali (Asst. Professor, Dept. of Cultural Studies, Tezpur University), Dr Mridul Bordoloi (Associate Professor, Dept. of English, Dibrugarh University) and Dr Swapna Bora (Asst. Professor, TLC, Tezpur University).

# 'সাঁচিপতীয়া পুথি পঠন আৰু সমীক্ষা'ৰ সাদিনীয়া কৰ্মশালা



অসমীয়া সাঁচিপতীয়া পুথি অধ্যয়ন কৰিব জনা মানুহৰ সংখ্যা সাম্প্ৰতিক কালত প্ৰায় নোহোৱা হৈ অহাৰ সময়তে অগতানুগতিক চিন্তাৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে যোৱা ২৫-৩১ অক্টোবৰ তাৰিখৰ ভিতৰত 'অসমীয়া সাঁচিপতীয়া পুথি-পঠন আৰু পাঠ-সমীক্ষা' শীৰ্ষক এটি সাদিনীয়া কৰ্মশালাৰ আয়োজন কৰে। কৰ্মশালাটোৰ উদ্বোধনী সত্ৰৰ আৰম্ভণী ভাষণ প্ৰদান কৰে বিভাগীয় প্ৰধান সুব্ৰত জ্যোতি নেওগে। এই সত্ৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য আৰু বিশ্ববিদ্যালয়ৰে ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ৰবীন দত্তই অংশগ্ৰহণ কৰে। কম্পিউটাৰ বিজ্ঞান বিভাগৰ অধ্যাপক ভট্টাচাৰ্যই সাঁচিপতীয়া আখৰৰ OCR পদ্ধতিৰ বিকাশৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। মধ্যযুগীয় হেঙুল-হাইতাল মিশ্ৰণৰ ৰাসায়নিক গুণাগুণ সম্পৰ্কে গৱেষণাৰত অধ্যাপক দত্তই নিজে সন্মুখীন হোৱা বিভিন্ন অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে। কৰ্মশালটোৰ প্ৰথম চাৰিদিনত সাঁচিপতীয়া আখৰ চিনাক্তকৰণ সম্পৰ্কে অংশগ্ৰহণকাৰী সকলক প্ৰশিক্ষণ দিয়া হয়। অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ তৃতীয় ষান্মাসিকৰ ১৯ গৰাকী শিক্ষাৰ্থীয়ে এই কৰ্মশালাটোত অংশগ্ৰহণ কৰে। উক্ত বিষয়টোত সমল ব্যক্তি হিচাপে কৰ্মশালাটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰালৰ গ্ৰন্থাগাৰিক ধনজিৎ তালুকদাৰে অংশগ্ৰহণ লয়। মুঠ ১০ টা সত্ৰত এই বিষয়ৰ সম্পৰ্কে পাঠদান কৰা হয়। কৰ্মশালাটোৰ দ্বিতীয়টো বিষয়, অসমীয়া সাঁচিপতীয়া পুথিৰ পাঠ-সমীক্ষাৰ সমল ব্যক্তি হিচাপে নলবাৰী ডায়েটৰ প্ৰবক্তা ৰাজতৰঙ্গিনীয়ে অংশ লয়। পৰৱৰ্তী তিনি দিনৰ ১০ টা সত্ৰত এই বিষয়ে আলোচনা কৰা হয়। কৰ্মশালাটোৰ সামৰণী সত্ৰত অংশগ্ৰহণ কৰে, বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ মুৰব্বী

অধ্যাপক ড° পৰশমণি দত্ত আৰু ইংৰাজী বিভাগৰ ভাষাতত্ত্ব শাখাৰ অধ্যাপক ড° অৰূপ কুমাৰ নাথে। অধ্যাপক দত্তই অসমৰ মূলসুঁতিৰ আলোচনাত সাঁচিপতীয়া পুথিৰ গুৰুত্ব কমি অহাৰ কথা উল্লেখ কৰি উদ্বেগ প্ৰকাশ কৰে। অধ্যাপক নাথে সাম্প্ৰতিক সময়ত অসমীয়া লিপিক লৈ চলি থকা বিবাদ, দ্বন্দ্ব আৰু ৰাজনীতিৰ মাজত এনে প্ৰচেষ্টাই ন দিগন্তৰ বাট সূচনা কৰিব পাৰে বুলি মত প্ৰকাশ কৰে। এই সত্ৰখন আঁত ধৰে, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে। অনুষ্ঠানটোত ছাত্ৰী মমী দত্ত, প্ৰাঞ্চী বৰাই সাঁচিপতীয়া পুথি পঠনত ভাগ লয়। ছাত্ৰ কিৰণ দাস আৰু ৰিপু কছাৰীয়ে মন্তব্য আগবঢ়ায়। সমন্বয়ক সঞ্জীৱ পল ডেকাৰ বক্তব্যৰে অনুষ্ঠানৰ সামৰণি পৰে।

## A Weeklong Workshop on “Assamese Manuscript Reading and Textual Criticism”

Department of Assamese organized a Weeklong Workshop on “Assamese Manuscript Reading and Textual Criticism from 25-31 October, 2021. In the inaugural session, Dr Subrat Jyoti Neog, HoD, Dept. of Assamese welcomed the guests and participants. Prof Dhruba Kumar Bhattacharyya, Pro Vice-Chancellor, Tezpur University inaugurated the workshop. The keynote address was delivered by Prof Robin Dutta, Dept. of Chemical Science, Tezpur University. The Resource Persons of the workshop were – Mr Dhanjit Talukdar, Archival Assistant, Gauhati University and Mrs. Rajtaranginee, Lecturer, DIET, Nalbari. The weeklong workshop introduced the students to the pre-modern Assamese alphabet and writing skills. It is noteworthy that the workshop enabled the learners with the skill of the reading century-old Assamese Manuscripts. In the valedictory session, Dr Parasmoni Dutta, HoD, Dept. of Cultural Studies, Tezpur University and Dr Anup Kumar Nath, Assistant Professor, Dept. of English were present as Chief Guest and Guest of Honor respectively. At last, Dr Sanjib Pol Deka, Coordinator of the workshop offered vote of thanks.



## ‘শিক্ষণ আৰু গৱেষণা কৌশল’ সম্পৰ্কীয় কৰ্মশালা

২৩ নৱেম্বৰ, ২০২১ তাৰিখে স্নাতকোত্তৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ ‘নেট’ পৰীক্ষাৰ প্ৰস্তুতিত সহায় হোৱাকৈ ‘শিক্ষণ আৰু গৱেষণা কৌশল’ সম্পৰ্কীয় এখন কৰ্মশালা তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে আয়োজন কৰে। এই কৰ্মশালাৰ সময় ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ গৱেষক সন্দীপ সূত্ৰধাৰে ‘শিক্ষণ আৰু গৱেষণা কৌশলৰ প্ৰাথমিক প্ৰসংগ’ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ গৱেষক আফ্‌তাব আনচাৰিয়ে ‘যুক্তি বিচাৰ আৰু তথ্যৰ বিশ্লেষণ’ বিষয়ত বক্তৃতা প্ৰদান কৰে। কৰ্মশালাখনিৰ সমন্বয়কৰ দায়িত্ব সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে পালন কৰে।



# ‘উপযুক্ত শৈক্ষিক গৱেষণা পদ্ধতি’ সম্পৰ্কীয় সজাগতামূলক অনুষ্ঠান



তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে, ‘উপযুক্ত শৈক্ষিক গৱেষণা পদ্ধতি’ সম্পৰ্কীয় দুদিনীয়া কাৰ্যসূচীৰ এক সজাগতামূলক অনুষ্ঠান যোৱা ৫ আৰু ৬ ডিচেম্বৰ, ২০২১ তাৰিখে অনুষ্ঠিত কৰে। প্ৰথম দিনাৰ কাৰ্যসূচীত ‘উপযুক্ত শৈক্ষিক গৱেষণা পদ্ধতিৰ ৰূপৰেখা’ৰ সম্পৰ্কীয় এটি বক্তৃতা প্ৰদান কৰে, বিভাগৰ সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে। তেখেতে নিজৰ বক্তৃতাত বিশেষভাৱে ছেপ্টেম্বৰ, ২০২০ত ইউ.জি.চি.য়ে প্ৰকাশ কৰা-- ‘Guidance document on Good Academic Research Practices’ৰ সম্পৰ্কীয় এটা পৰিচয়মূলক আলোচনা আগবঢ়ায়। তাৰ উপৰিও তেখেতে নিজৰ বক্তৃতাত গৱেষণা পৰিকল্পনা, গৱেষণা নীতি আৰু গৱেষণা প্ৰকাশন আদি দিশ সাঙুৰি লয়। সেইদিনাই সন্ধিয়ালৈ Quiziz Plateform ত অনলাইনযোগে এখনি ‘গৱেষণা নীতি’ সম্পৰ্কীয় কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। তাত স্থান লাভ কৰে--- ৰিপু কছাৰী (প্ৰথম), সান্ত্বনা বড়া (দ্বিতীয়), ভাগ্যশ্ৰী দত্ত (তৃতীয়) আৰু এঞ্জেলিকা শইকীয়া (তৃতীয়)। ৬ ডিচেম্বৰৰ দিনা বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ পল ডেকাই “Forgotten History: Confrontation of Print and Scribal Culture and the Fate of the Assamese Alphabet” শীৰ্ষক এটি বক্তৃতা প্ৰদান কৰি প্ৰাক-আধুনিক কালৰ সাঁচিপাতৰপৰা আধুনিক কালৰ ছপা মাধ্যমলৈ অসমীয়া আখৰৰ পৰিৱৰ্তনৰ সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক পটভূমি সম্পৰ্কে আলোচনা কৰে। এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থকা আভিযান্ত্ৰিক স্কুলৰ ডীন অধ্যাপক স্মৃতি কুমাৰ সিন্হাই তেখেতৰ ভাষা আৰু আভিযান্ত্ৰিক ক্ষেত্ৰত কাম কৰাৰ অভিজ্ঞতাৰ বৰ্ণনা কৰে। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে পদাৰ্থ বিজ্ঞানৰ অধ্যাপক জয়ন্ত কুমাৰ শৰ্মা, তেজপুৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী আৰু সমাজ-কৰ্মী হেমন্ত লহকৰ আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ৰক্তিমা ভূঞা উপস্থিত থাকে। দুদিনীয়া সজাগতা অনুষ্ঠানটোৰ সমন্বয়ক জ্যোতিষ্মান দাসে শলাগৰ শৰাই জ্ঞাপন কৰাৰ পিছতে অনুষ্ঠানটোৰ সামৰণি পৰে।

# Workshop on “Teaching and Research Aptitude”


A workshop on “Teaching and Research Aptitude” for the M.A. third semester students was organised by Department of Assamese on 23rd November, 2021 to prepare themselves for the UGC NET examination. The workshop was coordinated by Jyotishman Das , Assistant Professor, Department of Assamese and the resource persons of the workshop were Sandip Sutradhar (Ph.D Scholar, Dept. of Education, TU) and Aftab Ansari (Ph. D Scholar, Department of Physics, TU). They delivered talks on “Basics of Teaching and Research Aptitude” and “Reasoning and Data Interpretation” respectively.

# Awareness and Sensitization Program on “Good Academic Research Practices”



An awareness and sensitization program on “Good Academic Research Practices” was organized by the Department of Assamese on 5th and 6th December 2021. The two-day program began with a lecture on “Framework for Good Academic Research Practices” by Jyotishman Das, Assistant Professor, Department of Assamese. In his lecture, he highlighted the key objectives of the program and gave a brief introduction to the “Guidance document on Good Academic Research Practices” published by UGC, in September 2020. He discussed several topics related to academic research such as research design, research ethics, research misconduct, and research publication. A quiz competition on “Research Ethics” was organized among the students through the Quiziz platform and the position holders were- Ripu Kachari (First), Santana Bora(Second), Bhagyashree Dutta, Anjelika Saikia(Third). On the second day, Dr Sanjib Pol Deka, Assistant professor, Dept. of Assamese delivered a speech on the topic “Forgotten History: Confrontation of Print and Scribal Culture and the Fate of the Assamese Alphabet”. In his lecture Dr Deka discussed the socio-cultural and political background of shifting Assamese Alphabet from pre-modern Sanci-Bark manuscript to print and its consequences. From the chair of chief guest Professor Smriti Kumar Sinha, Dean of Engineering shared his experiences of working in the field of language and computer engineering. Invited Guest Prof Jayanta Kumar Sarma, Dept. of Physics commented on the lecture and the relevance of such studies. Hemanta Lahkar, a renowned businessman and social worker, Arup Kumar Nath (Asst. Professor of Linguistics, Department of English), Raktima Bhuyan (Asst. Professor, Dept. of English), and more than forty students participated in this program. The coordinator of the program, Jyotishman Das concluded the two-day program by acknowledging gratitude to the speakers and participants.

# সম্প্ৰসাৰণ কাৰ্যসূচী



## গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তীৰ শ্ৰদ্ধাৰ্ঘ্য 'পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান' বিষয়ক বিশেষ আলোচনা-সত্ৰ

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে তেজপুৰৰ কালিবাৰী অঞ্চলত অৱস্থিত অসমীয়া ভাষা উন্নতি সাধিনী সভা প্ৰাঙ্গনত ১৫ ডিচেম্বৰ, ২০২১ তাৰিখে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী-বৰ্ষ উপলক্ষে আয়োজন কৰা সামৰণী অনুষ্ঠানত "অসমীয়া সাহিত্যৰ নৱজাগৰণ আৰু পদ্মনাথ গোহাঞি বৰুৱা" বিষয়ক এক আলোচনাচক্ৰ অনুষ্ঠিত কৰে। আলোচনাচক্ৰটো উদ্বোধন কৰে সাহিত্যিক ড° নৱেন কলিতাদেৱে। আলোচনাচক্ৰটোৰ সন্মানীয় বক্তা বিশিষ্ট লেখক আৰু চিন্তাবিদ ময়ূৰ বৰা আৰু ড° সূৰ্য হাজৰিকাই উনবিংশ শতিকাত অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ নৱজাগৰণত পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদানৰ বিষয়ে তেওঁলোকৰ বক্তৃতা দাঙি ধৰে। এই অনুষ্ঠানটিৰ সমন্বয়ক আছিল দৰং কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণেশ্বৰ নাথ ।

## সাঁচিপতীয়া পাণ্ডুলিপিৰ সংৰক্ষণ

তেজপুৰ অঞ্চলত অৱস্থিত দুখন সত্ৰ নিকামুল আৰু বৰআলিমৰা সত্ৰত ২৯-৩১ নৱেম্বৰ, ২০২১ত এটি সম্প্ৰসাৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ২৯ নৱেম্বৰৰ সন্ধিয়া অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ পল ডেকা আৰু স্নাতকোত্তৰ তৃতীয় যান্মাসিকৰ শিক্ষাৰ্থী মমী দত্ত, এঞ্জেলিকা শইকীয়া আৰু প্ৰাঞ্চী বৰাই বৰআলি মৰা সত্ৰলৈ গৈ আঠখন সাঁচিপতীয়া পুথি উদ্ধাৰ আৰু পৰিষ্কাৰকৰণ কাৰ্য সম্পাদন কৰে। ডেকা সত্ৰাধিকাৰ শোভন মহন্তই অসমীয়া বিভাগলৈ এখন কোম্পেনী পেপাৰত লিখা অসমীয়া নাটকৰ পুথি উপহাৰ হিচাপে প্ৰদান কৰে। উক্ত দলটোৱেই ৩০ আৰু ৩১ নৱেম্বৰৰ দিনা তেজপুৰৰ নিকামুল সত্ৰত সাঁচিপতীয়া পাণ্ডুলিপিৰ পৰিষ্কাৰকৰণ কৰে। আঠখন পাণ্ডুলিপিৰ পৰিষ্কাৰকৰণ আৰু ৰঙা কাপোৰেৰে মেৰিয়াই বান্ধি সংৰক্ষণ কৰা হয়। এই কাৰ্যসূচীত নলবাৰী ডায়েটৰ প্ৰবক্তা ৰাজতৰংগিনী আৰু তেজপুৰৰ সমাজকৰ্মী তথা বিশিষ্ট ব্যৱসায়ী হেমন্ত লহকৰেও সহযোগিতা আগবঢ়ায়।



# Extension Activities

## Sesquicentennial Tribute to Padmanath Gohain Baruah

The Department of Assamese, Tezpur University organised a symposium on "Renaissance of Assamese Literature and Padmanath Gohainbaruah" as an extension activity in the concluding function of the 150th birth anniversary of Asom Sahitya Sabha's founder President Sahitya Kandari Padmanath Gohain Baruah held in 15th December, 2021 at Asamiya Bhasa Unnati Sadhini Sabha Prangan, Kalibari, Tezpur. The symposium was inaugurated by noted litterateur Dr Naren Kalita. The esteemed speakers of the symposium, Mayur Borah, noted writer and thinker, and Dr Surya Hazarika, noted writer delivered their talk on Padmanath Gohain Baruah's contribution in Nineteenth century renaissance of Assamese literature and culture. The event was conducted by Purneswar Nath.

## Preservation of Sancibark Manuscript

An extension activity was conducted at two satras of Tezpur locality namely Nikamul and Baralimara from 29-31 November 2021. In the evening of 29th November Dr Sanjib Deka, Assistant Professor, Department of Assamese and other three students of MA 3rd semester namely Pranci Bora, Momi Dutta and Anjelika Saikia visited Baralimara Satra, Da-Parbatiya, Tezpur and identified and cleaned 8 sancibark manuscripts. Sobhan Mahanta, Deka Satradhikar of the satra also gifted a manuscript of Assamese drama written on company paper to the Department of Assamese that day. The same team of the Department visited Nikamul Satra, Nikamul, Tezpur on 30th November and did the preliminary works of conservation. It was a whole day activity and a sum of 12 sancibark manuscripts were identified and cleaned. On 31st November Dr Sanjib Deka visited the NikamulSatra and worked till 2 pm. 8 sancibark manuscripts were cleaned and bonded with red-colored cloth. During the three days' programme, Mrs. Rajtaranginee, Lecturer, District Institute of Educational Training, Nalbari and Mr Hemanta Lahkar, eminent entrepreneur of Tezpur assisted the team.



# ‘সাঁচিপতীয়া পুথি পঠন আৰু সংৰক্ষণ’ বিষয়ক তিনিদিনীয়া কৰ্মশালা

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে অসমীয়া ক্লাব, তেজপুৰৰ সহযোগত ‘সাঁচিপতীয়া পুথি পঠন আৰু সংৰক্ষণ’ বিষয়ক এক বিশেষ কৰ্মশালা ডিচেম্বৰ মাহত আয়োজন কৰে। নিকামূল সত্ৰ প্ৰাংগণত ২৫, ২৬, ২৭ ডিচেম্বৰ তাৰিখে এই অনুষ্ঠানটো আয়োজন কৰা হয়। এই কৰ্মশালাত মূলতঃ দুটা দিশ সামৰি লোৱা হয়— পাণ্ডুলিপিৰ চিনাক্তকৰণ- পৰিষ্কাৰকৰণ -বিজ্ঞানসন্মত সংৰক্ষণ আৰু পাণ্ডুলিপি পঠন। কাৰ্যসূচীটোত বিভাগৰ তৃতীয় যান্মাসিকৰ ন গৰাকী শিক্ষাৰ্থীয়ে অংশ লয়। তেওঁলোক হ’ল-- নয়ন চেতিয়া, মমী দত্ত, নিশামণি মহন্ত, দেৱাশিস বুঢ়াগোহাঁই, কিৰণ দাস, উপাসনা বৰা, এঞ্জেলিকা শইকীয়া, আজিজুৰ ৰহমান আৰু প্ৰাঞ্চী বৰা। এই কাৰ্যসূচী দুয়োটাতে সমল ব্যক্তি হিচাপে বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ পল ডেকা আৰু নলবাৰী ডায়েটৰ প্ৰবক্তা ৰাজতৰংগিনী উপস্থিত থাকে। অনুষ্ঠানটোৰ যুটীয়া সমন্বয়ক আছিল অসমীয়া বিভাগৰ সঞ্জীৱ পল ডেকা আৰু অসমীয়া ক্লাবৰ হেমন্ত লহকৰ।




## Workshop on
# “Reading Sancibark Manuscript and Conservation”

Department of Assamese, Tezpur University organized a three day workshop on “Reading Sancibark Manuscript and Conservation” in collaboration with Asamiya Club, Tezpur as an extension activity on 25, 26 and 27 December,2021 at Nikamul Satra Premise. The workshop covered two aspects-Identification, Cleaning, and Binding of the Manuscripts and Manuscript Reading. More than thirty participants participated in the workshop and more than 50 sancibark manuscripts were identified, cleaned and preserved in scientific way. Dr Sanjib Pol Deka, Assistant Professor, Department of Assamese and Mr Hemanta Lahkar, Vice-President, Asamiya Club coordinated the programme. Mrs. Rajtaranginee, Lecturer, District Institute of Educational Training, Nalbari participated in the workshop as Resource Person.






# বিবিধ অনুষ্ঠান

## আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন

২১ ফেব্ৰুৱাৰী, ২০২১ তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত বিশেষ কাৰ্যসূচীৰে মাতৃভাষা দিৱস উদযাপন কৰা হয়। অসমৰ যশস্বী কথাশিল্পী, সাহিত্যিক ড° লক্ষ্মীনন্দন বৰা উপস্থিত থকা এই অনুষ্ঠান দিনৰ দহ বজাৰ পৰা গুগল মিট মাধ্যমেৰে অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁত ধৰে বিভাগীয় অধ্যাপক ড° সঞ্জীৱ ডেকাই। বিভাগীয় মুৰব্বী ড° সুব্ৰতজ্যোতি নেওগে প্ৰদান কৰা আদৰণি ভাষণৰ যোগেদি আৰম্ভ হোৱা বিশেষ বক্তৃতানুষ্ঠানটোত উদ্বোধনী ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিনোদ জৈনে। পৰৱৰ্তী পৰ্যায়ত সাহিত্যিক লক্ষ্মীনন্দন বৰাই মাতৃভাষাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক সামৰি এক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। লগতে নিজৰ ভাষাটোৰ প্ৰতি ল'ব লগা দায়িত্বৰ কথাও ড° বৰাই সাৱলীলভাৱে উদাহৰণসহ উপস্থাপন কৰে। বক্তৃতাৰ শেষত বিভাগীয় ছাত্ৰ কিৰণ দাসে এটা কবিতা আবৃত্তি




কৰে। তাৰ পিছত বিভাগীয় ছাত্ৰী উপাসনা বৰাই এটি গীত পৰিৱেশন কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ শেষত সহকাৰী অধ্যাপক ড° সঞ্জীৱ পল ডেকাই উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠানটিৰ সামৰণি মাৰে।

# Events and News

## International Mother Language Day Celebration

Department of Assamese, Tezpur University organized a special talk on “Significance of International Mother Language Day” on the occasion of International Mother Language Day on 21st February 2021. Prof Vinod Kumar Jain, Vice-Chancellor, Tezpur University inaugurated the program. In his inaugural speech, he focused on our responsibilities to promote our mother tongue to stay connected with our culture and values. The speaker, eminent litterateur Dr. Lakshmi Nandan Bora delivered the talk. In his speech, Dr Bora emphasized the importance of the mother tongue and discussed the theme and history of International Mother Language Day.



## Contribution to Departmental Library

Mr Jhulan Sarma , an inhabitant of Da-Parbatia, Tezpur donated his collection of the Magazine “Prantik”, Issues 1985 to 2015 to the departmental library. On behalf of Mr. Sarma, Mr Utpal Bora, a teacher of Tezpur provided the collection on 7th April, 2021.

# তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তৃতীয় প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

১ জুলাই, ২০২১ তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তৃতীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। ২০১৯ চনতে প্ৰতিষ্ঠা হোৱা অসমীয়া বিভাগৰ প্ৰতিষ্ঠা দিৱসটো ক'ভিড পৰিস্থিতিৰ বাবে 'গুগল মিট' মাধ্যমেৰে অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিশেষ বক্তৃতানুষ্ঠান এটাৰো আয়োজন কৰা হয়। এই অনুষ্ঠানৰ আদৰণী বক্তৃতা প্ৰদান কৰে, বিভাগীয় প্ৰধান ড° সুব্ৰত জ্যোতি নেওগে। এই অনুষ্ঠানত সম-উপাচাৰ্য অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য আৰু পঞ্জীয়ক ড° বীৰেন দাস উপস্থিত থাকি অসমীয়া বিভাগ প্ৰতিষ্ঠাৰ আঁৰৰ ইতিহাস সকলোকে অৱগত কৰে।অনুষ্ঠানৰ মূল বক্তৃতাৰ বিষয় আছিল "অসমীয়া সাহিত্যৰ বুৰঞ্জী ঃ নতুন পৰিকল্পনাৰ প্ৰয়োজন"। মূল বক্তা হিচাপে উপস্থিত আছিল অসমৰ স্বনামধন্য সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া। অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-গৱেষকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত ড° নগেন শইকীয়াই অসমীয়া সাহিত্যৰ আদি যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান পৰ্যায়ৰ স্থিতিক সামৰি ইয়াৰ অধ্যয়নৰ বিষয়ে সাৱলীলভাৱে বৰ্ণনা কৰে। লগতে অসমীয়া সাহিত্যৰ বুৰঞ্জী নিৰ্মাণ আৰু ইয়াৰ আঁৰৰ কামসমূহৰ বিষয়েও তেওঁ অৱগত কৰে। তদুপৰি তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগলৈ দিয়া লক্ষ্মীনাথ বেজবৰুৱাৰ কেইবাখনো দিনলিপিৰ কথা উল্লেখ কৰি সুখ অনুভৱ কৰে। শতাধিক অংশগ্ৰহণকাৰীৰ অংশগ্ৰহণত অনুষ্ঠিত অনুষ্ঠানটো বিভাগীয় অধ্যাপিকা ড° জুৰি দত্তৰ শলাগৰ শৰাইৰে অন্ত পৰে।

# Third Foundation Day Celebration of Department of Assamese, Tezpur University

